**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 13-09-2024 **Time :** 0755 Hrs

***Assamese Morning Bulletin***

ৰাজ্য চৰকাৰে অহা ১৫ ছেপ্তেম্বৰত অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ প্ৰথম পৰ্যায়ৰ পৰীক্ষা অনুষ্ঠিত কৰিব। এই পৰীক্ষাৰ বাবে যোৰহাট জিলা প্ৰশাসনে সকলো ধৰণৰ প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। ১৫ ছেপ্তেম্বৰত জিলাখনত মুঠ ১৩৩টা পৰীক্ষা কেন্দ্ৰত ৫৫ হাজাৰ ৫০৯ গৰাকী পৰিক্ষাৰ্থী অৱতীৰ্ণ হ'ব। ইতিমধ্যে পৰীক্ষা কেন্দ্ৰসমূহত নিৰাপত্তাৰ বাবে চাৰিবেৰ আৰু পৰিক্ষাৰ্থীসকলৰ সুবিধাৰ্থে কোঠাসমহ সাজু কৰি তোলাৰ লগতে সকলো ধৰণৰ নিৰাপত্তা ব্যৱস্থা কৰা হৈছে। তদুপৰি পৰীক্ষা কেন্দ্ৰসমূহৰ ভাৰপ্ৰাপ্ত বিষয়া আৰু তদাৰকী বিষয়াসকলক প্ৰথম আৰু দ্বিতীয় পৰ্যায়ৰ প্ৰশিক্ষণ প্ৰদান কৰাৰ লগতে নিৰীক্ষকসকলক প্ৰথম পৰ্যায়ৰ প্ৰশিক্ষণ প্ৰদান কৰা হয় আৰু আজি দ্বিতীয় পৰ্যায়ৰ প্ৰশিক্ষণ প্ৰদান কৰা হ'ব। তদুপৰি অসম ৰাজহুৱা পৰীক্ষা আইন, ২০২৪ৰ অধীনত পৰীক্ষাৰ লগত জড়িত বিষয়াসকলক সজাগ কৰি তোলা হৈছে। পৰীক্ষাৰ সময়ছোৱাত প্ৰতিটো পৰীক্ষা কেন্দ্ৰৰ বাবে দুগৰাকীকৈ স্বাস্থ্য কৰ্মী নিয়োগ কৰাৰ লগতে স্বাস্থ্য বিভাগক সক্ৰিয় হৈ থাকিবলৈ জিলা প্ৰশাসনে নিৰ্দেশ দিছে। আনহাতে, ডিব্ৰুগড় জিলাত অহা ১৫, ২৯ ছেপ্তেম্বৰত তথা ২৭ অক্টোবৰত ডিব্ৰুগড় জিলাৰ ৬৯টা পৰীক্ষা কেন্দ্ৰত হ'বলগীয়া প্ৰত্যক্ষ নিযুক্তি পৰীক্ষা শান্তিপূৰ্ণ আৰু সুচাৰুৰূপে যাতে অনুষ্ঠিত হয় তাৰ প্ৰতি  লক্ষ্য ৰাখি ডিব্ৰুগড় জিলাৰ জিলা দণ্ডাধীশ বিক্ৰম কৈৰীয়ে ১৫ ছেপ্তেম্বৰ, ২৯ ছেপ্তেম্বৰ আৰু ২৭ অক্টোবৰত পুৱা ৫ বজাৰ পৰা জিলাখনৰ আটাইকেইটা কেন্দ্ৰত প্ৰযোজ্য হোৱাকৈ ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা,২০২৩ৰ ১৬৩ নম্বৰ ধাৰাৰ অধীনত এটা আদেশযোগে কেতবোৰ নিষেধাজ্ঞা জাৰি কৰিছে। সেই অনুসৰি পৰীক্ষা কেন্দ্ৰৰ ১০০ মিটাৰ ব্যাসাৰ্দ্ধৰ ভিতৰত পৰীক্ষাত অৱতীৰ্ণ পৰিক্ষাৰ্থী, পৰীক্ষাৰ সৈতে জড়িত পৰ্যবেক্ষক কৰ্মচাৰী আৰু পৰিক্ষণকাৰী দল, আইন-শৃংখলা বৰ্তাই ৰাখিবলৈ, লগতে জৰুৰী সেৱাৰ বাবে নিয়োজিত সংস্থা কেন্দ্ৰত পৰীক্ষা পৰিচালনাৰ বাবে নিয়োজিত চৰকাৰী সংস্থা, বিষয়া-কৰ্মচাৰীৰ বাহিৰে আন কোনো ব্যক্তি তথা অভিভাৱক সোমাব নোৱাৰিব। পৰীক্ষা কেন্দ্ৰৰ ১০০ মিটাৰ ব্যাসাৰ্দ্ধৰ ভিতৰত পৰীক্ষাত নিয়োজিত কৰ্তৃত্বশীল ব্যক্তিৰ বাহনৰ বাহিৰে আনৈ কোনো বাহন চলাচল আৰু পাৰ্কিং কৰিব নোৱাৰিব বুলি জিলা প্ৰশাসনে নিৰ্দেশ জাৰি কৰে।

00000000

অসমত শেহতীয়াকৈ অবৈধ ট্ৰেডিং সম্পৰ্কীয় অপৰাধৰ অভিযোগ উত্থাপিত হোৱাৰ পৰিপ্ৰেক্ষিতত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই জনসাধাৰণক এনেধৰণৰ ভুৱা অনলাইন ষ্টক মাৰ্কেট ব্যৱসায়ত বিনিয়োগ নকৰিবলৈ আহ্বান জনাইছে। বিনিয়োগ কৰা ধন অতি কম সময়ৰ ভিতৰতে দুগুণ হ'ব বুলি কোনো লোকে কৰা দাবী স্পষ্টতঃ ভুৱা বুলি তেওঁ উল্লেখ কৰে। তেওঁ লগতে এনেধৰণৰ অপৰাধ ৰোধ কৰাৰ বাবে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলি জানিবলৈ দিয়ে। অনলাইন ট্ৰেডিং গোচৰৰ অভিযুক্ত চুমি বৰা আৰু তেওঁৰ স্বামী তাৰ্কিক বৰাক ডিব্ৰুগড় আৰক্ষীয়ে জিম্মাত লোৱাৰ পাছত কালি গুৱাহাটী আৰক্ষীয়ে বৰঝাৰৰ গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত আন দুগৰাকী অবৈধ ধন লেনদেন কাৰ্যৰ অভিযুক্ত মাইনাও ব্ৰহ্ম আৰু দীপাংকৰ ভট্টক গ্ৰেপ্তাৰ কৰি মুছলপুৰ আৰক্ষীয়ে সম্প্ৰতি নিজৰ জিম্মাত ৰাখি জেৰা অব্যাহত ৰাখিছে। আৰক্ষী সূত্ৰই প্ৰকাশ কৰা মতে, গুৰুতৰ অবৈধ অনলাইন ট্ৰেডিঙৰ ঘটনাৰ সৈতে জড়িত হৈ থকাৰ অভিযোগত ৪২ জন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। ইপিনে,  এনেধৰণৰ অবৈধ ধন লেনদেনৰ ব্যৱসায়ত আন এজন অভিযুক্ত দীপাংকৰ বৰ্মন নামৰ লোকজন পলাতক অৱস্থাত আছে। ইফালে, কংগ্ৰেছ দলে ভুৱা ট্ৰেডিঙৰ নামত বৃদ্ধি পোৱা বিত্তীয় কেলেংকাৰী সন্দৰ্ভত ন্যায়িক তদন্তৰ আহ্বান জনাই কালি ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যক সাক্ষাৎ কৰি স্মাৰক পত্ৰ প্ৰদান কৰে। ভুৱা ট্ৰেডিঙৰ নামত ৰাজ্যখনৰ বহু বিনিয়োগকাৰী ক্ষতিৰ সন্মুখীন হৈছে বুলি পত্ৰখনত উল্লেখ কৰি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নিৰীক্ষণত কেন্দ্ৰীয় সংস্থাসমূহৰ দ্বাৰা তদন্তৰ বাবেও দলে দাবী জনাইছে।

00000000

চৰাইদেউ জিলা মহিলা আৰু শিশু বিকাশ বিভাগৰ অধীনৰ সংকল্প মহিলা সৱলীকৰণ কেন্দ্ৰৰ উদ্যোগত ৪ অক্টোবৰ পৰ্যন্ত ১০০ দিনীয়া সজাগতা অভিযান অব্যাহত আছে। ২১ জুনৰ পৰা চলি থকা এই অভিযানৰ সৈতে সংগতি ৰাখি কালি জিলাখনৰ ডবা তিনিআলি উচ্চ মাধ্যমিক বিদ্যালয়ত সামৰ্থ্য বিকাশ কাৰ্যসূচীৰ পদক্ষেপ হিচাপে ঋতুস্ৰাৱৰ সময়ত পৰিষ্কাৰ-পৰিচ্ছন্নতা শীৰ্ষক কাৰ্যসূচী অনুষ্ঠিত হয়। এই কাৰ্যসূচীত জিলা স্বাস্থ্য বিভাগৰ নিৰীক্ষণ কৰ্মী পূৰ্ণিমা গগৈয়ে ঋতুস্ৰাৱৰ সময়ত ল'বলগীয়া সাৱধানতা আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতা সম্পৰ্কে বক্তব্য আগবঢ়ায়। এই অনুষ্ঠানত আন কেইবাগৰাকীও সমল ব্যক্তিয়ে যৌন প্ৰজনন, স্বাস্থ্য আৰু অন্যান্য বিষয় লৈ ভাষণ দিয়ে। অনুষ্ঠানটোত ছাত্ৰীসকলৰ মাজত ছেনিটাৰী নেপকিন বিতৰণ কৰা হয়। 0000000

সমাপ্ত